# বৈজ্ঞানিক মানসিকতা কি?

- নৱদ্বীপ শইকীয়া, পৰিচালক ও জন্মদাতা - এপিটাইচিয়া লাৰ্নিং হাব

কোনো এজন ব্যক্তিয়ে যিকোনো এটা কথাৰ সত্যাসত্য বিচাৰ কৰা বা যুক্তিসম্পন্ন বিশ্লেষণৰ পিছতহে কোনো এটা কথা বা সিদ্ধান্ত মানি লোৱাটোৱেই হ' ল বৈজ্ঞানিক মানসিকতাৰ পৰিচায়ক।

শিক্ষাদানৰ সময়ত কিদৰে বৈজ্ঞানিক মানসিকতা সৃষ্টি কৰিব পাৰি?

বৰ্তমান সময়ত কোনোবা কিতাপত লিখি থোৱা কথা এটাকে পঢ়ি, তাকেই মানি ল' বলৈ বাধ্য কৰোৱাতকৈ; সেইটোৱেই যে সত্য সেইয়া প্ৰমাণ কৰি দেখোৱাৰ চেষ্টা কৰা উচিত। সেই কথা কিয় সত্য, তাৰ বিশ্লেষণ দাঙি ধৰা উচিত। উপযুক্ত TLM ৰ ব্যৱহাৰ বা চৌপাশৰ যিকোনো ঘটনা বা কথাৰ চাক্ষুস অভিজ্ঞতা দিবলৈ চেষ্টা কৰা উচিত।

শিক্ষকৰ ভূমিকা কি?

কেৱল বাক্য পঢ়ি পঢ়োৱাতকৈ হাতে কামে কৰাৰ চেষ্টা কৰা ভাল। মই যেতিয়া শিক্ষক, গতিকে মই সকলো জানো ধৰণৰ ভাৱেৰে শ্ৰেণীলৈ যোৱাতকৈ, ছাত্ৰ-ছাত্ৰী সকলক কিবা এটা কথা বুজাত সহায় কৰা সহায়ক হিচাপে নিজকে গণ্য কৰিলেহে যুক্তিবাদী মানসিকতা গঢ় দিয়াত এজন শিক্ষকৰ সুবিধা হয়। "প্ৰশ্ন সোধা " বুলি কৈ থকাতকৈ আপোনাক প্ৰশ্ন সোধাৰ মানসিকতা বা পৰিৱেশ গঢ় দিব পাৰিব লাগিব। আপোনাৰ প্ৰতি অহেতুক ভয়ৰ বাবেও শিশোৱে আপোনাক প্ৰশ্ন নুসুধিব পাৰে। সেয়া আতৰ কৰিব পাৰিব লাগিব। সিহঁতক চৌপাশৰ বিভিন্ন ঘটনাৰ "কি, কিয়, কেনেকৈ " আদি ৰহস্যৰ বিষয়ে অনুসন্ধান কৰিবলৈ উৎসাহ যোগাব লাগিব।

কেৱল বিজ্ঞান শিক্ষক নে?

এই কাম কেৱল বিজ্ঞান বা গণিত শিক্ষকৰ নহয়। যিকোনো বিষয়ৰ শিক্ষকেই নিজৰ বিষয় উপস্থাপন কৰি থাকোঁতে এনে এক পৰিৱেশৰ সৃষ্টি কৰিব পাৰে, যাৰ ফলত শিশুৰ মনত প্ৰশ্নৰ উদয় হ' ব পাৰে। কাৰণ আমি কাল্পনিক কথা খুব কমেই পঢ়াবলৈ যাঁও। যদি সত্যৰ ওপৰত প্ৰতিষ্ঠিত কথা হয়, তেন্তে তাক সত্য বুলি প্ৰতিষ্ঠা কৰিব পাৰিলেহে শিশোৱে যুক্তিৰে চিন্তা কৰিবলৈ শিকিব।

অন্ধবিশ্বাস জনিত কথাৰ পৰা নিজকে আঁতৰাই ৰাখক

আমাৰ সমাজত প্ৰচলিত বহু অন্ধবিশ্বাস জনিত কথাই বৈজ্ঞানিক মানসিকতা সৃষ্টিত বাধা জন্মাই আহিছে। এটা কথা ধৰ্মীয় বিশ্বাস মানেই অন্ধবিশ্বাস নহয়। শনি, ৰাহুৰ দশা ভাল কৰিবলৈ কেইবাটাও ৰঙা-নীলা আঙুঠি পিন্ধি অন্ধবিশ্বাস দূৰীকৰণৰ কথা ল' ৰা ছোৱালীৰ আগত কোৱা উচিত নহয়। ই এক পৰস্পৰ বিৰোধী স্থিতি। গ্ৰহণ আদিৰ বৈজ্ঞানিক বিশ্লেষণ, গ্ৰহণৰ লগত জড়িত ভিত্তিহীন ‘‘নাপায় “ বোৰ উলংঘা যদি নিজেই কৰিব নোৱাৰো তেন্তে আনক মানা কৰাৰ নৈতিক অধিকাৰ আমাৰ নাথাকে। বিভিন্ন বেমাৰ-আজাৰৰ জৰা-ফুকা, কলগছ বা আন গছত ভগৱানৰ আবিৰ্ভাৱৰ কথা, মাটিৰ তলৰ পৰা ওলাই অহা মূৰ্তিৰ উপাসনা, ধনগুলৈ, ভূতপ্ৰেত, মুখলগা, গাড়ীৰ আগেৰে মেকুৰী পাৰ হোৱা, নেমু-জলকীয়াৰ মালাৰে বেয়া দৃষ্টি আতৰোৱা বোৰৰ যে একো ভিত্তি নাই, সেয়া মানি নল' লে আনক কোৱাৰ চেষ্টা আমি নকৰাই ভাল। বিশেষকৈ শিশোৱে অতি সূক্ষ্মতাৰে শিক্ষকৰ নিৰীক্ষণ কৰে। তেখেতৰ পৰস্পৰ বিৰোধী স্থিতিয়ে শিশুৰ বৈজ্ঞানিক মানসিকতা সৃষ্টি কোনো কালেই কৰিব নোৱাৰে।